NEWZ NOW

সংখ্যা ১৩ | শুকুৰবাৰ, ৬ নৱেম্বৰ ২০২৬ | অসমৰ ডিজিটেল বাতৰি কাকত

অসম

'জুবিনৰো ভুল আছিল'- জুবিনৰ মৃত্যুৰ গোচৰত সাক্ষীৰ মন্তব্যক লৈ মুখ্যমন্ত্রীৰ বিস্ফোৰক দাবী

জুবিন গার্গৰ মৃত্যুৰ গোচৰৰ এগৰাকী সাক্ষীক লৈ মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মাই গুৰুত্বপূর্ণ অভিযোগ উত্থাপন কৰিছে। তেওঁৰ দাবী, জুবিনৰ ন্যায়ৰ দাবীত গঢ়ি উঠা আন্দোলনৰ নেতৃত্ব দিয়া এগৰাকী সাংস্কৃতিক ব্যক্তিয়ে আদালতত জুবিনৰো ভুল আছিল বুলি সাক্ষ্য দিছে। টিভিত দিয়া বক্তব্য আৰু আদালতৰ সাক্ষ্যৰ মাজত পার্থক্য থকা বুলিও অভিযোগ কৰে মুখ্যমন্ত্রীয়ে। অৱশ্যে তেওঁ সাক্ষীগৰাকীৰ নাম প্রকাশ কৰা নাই।



SHAH ALAM | ৬ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৩৮

গুৱাহাটী, ৬ নৱেম্বৰঃ জুবিন গার্গৰ মৃত্যুৰ গোচৰৰ এগৰাকী সাক্ষীক লৈ বিস্ফোৰক মন্তব্য কৰিছে মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মাই। মুখ্যমন্ত্রীৰ দাবী, জুবিনৰ মৃত্যুৰ ন্যায় বিচাৰি গঢ়ি উঠা আন্দোলনৰ নেতৃত্ব দিয়া এগৰাকী সাংস্কৃতিক জগতৰ ব্যক্তিয়ে আদালতত সাক্ষ্য প্রদান কৰি জুবিনৰো ভুল আছিল বুলি উল্লেখ কৰিছে।

সম্পূর্ণ খবৰ:
https://newznow.in/news/911

অসম

'ঘনকান্ত গগৈৰ এনকাউণ্টাৰ দুর্ভাগ্যজনক' - মুখ্যমন্ত্রী



গুৱাহাটী, ৬ নৱেম্বৰঃ ঘনকান্ত গগৈৰ আৰক্ষীৰ গুলীত মৃত্যুৰ ঘটনাক লৈ ভুল তথ্য প্রচাৰ নকৰিবলৈ সংবাদ মাধ্যমক আহ্বান জনাইছে মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মাই।
পঢ়ক: https://newznow.in/news/891

অসম

প্রনৱ দলেৰ বিৰুদ্ধে ৰুজু হোৱা NSA গোচৰ খাৰিজ কৰিলে উচ্চ ন্যায়ালয়ে



গুৱাহাটী, ৬ নৱেম্বৰঃ ভূমি অধিকাৰ কর্মী প্রণৱ দলেৰ বিৰুদ্ধে ৰাষ্ট্রীয় সুৰক্ষা আইন (NSA)ৰ অধীনত জাৰি কৰা আটকাদেশ বাতিল কৰিছে গৌহাটী উচ্চ ন্যায়ালয়ে।
পঢ়ক: https://newznow.in/news/899

অসম

উচ্চতম ন্যায়ালয়ত আজিও জামিন নাপালে শ্যামকানু আৰু সিদ্ধার্থ: ৩০নৱেম্বৰত জামিনৰ পৰৱর্তী শুনানি



নতুন দিল্লী, ৬ নৱেম্বৰঃ জুবিন গার্গৰ মৃত্যুৰ গোচৰত জড়িত চাৰিটা জামিনৰ আবেদনৰ শুনানি অহা ৩০ নৱেম্বৰত গ্রহণ কৰিব উচ্চতম ন্যায়ালয়ে।
পঢ়ক: https://newznow.in/news/883

অসম

'আপুনি ভুল চার্জশ্বিট দিছে আপুনি চার্জশ্বিটৰ কাগজৰ টোপোলা এসোপা দিছে'; মুখ্যমন্ত্রীৰ মন্তব্যৰ প্রতিক্রিয়া অখিলৰ



গুৱাহাটী, ৬ নৱেম্বৰ: জুবিন গার্গৰ মৃত্যুৰ গোচৰত অভিযুক্তসকলৰ জামিন আবেদনৰ শুনানি ৩০ নৱেম্বৰলৈ পিছুৱাই দিয়াৰ পাছতে মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মাৰ মন...
পঢ়ক: https://newznow.in/news/977

ভিতৰৰ পাতত

অসম: BTC-ত ভূমিহীন লোকৰ বাবে মাটিৰ পট্টা...
অসম: "হোটেল বিলাস ইন হত্যাকাণ্ডৰ সৈতে ঘ...
অসম: জুবিনৰ মৃত্যুৰ গোচৰ: ১৬০ সাক্ষীয়ে...
অসম: উচ্চতম ন্যায়ালয়ত আজি কিয় জামিন ন...

অসম

BTC-ত ভূমিহীন লোকৰ বাবে মাটিৰ পট্টাৰ প্ৰিমিয়াম ১০১ টকালৈ হ্ৰাস: হাগ্ৰামা

NewzNow ডেস্ক | ৬ নৱেম্বৰ ২০২৬, আবেলি ৫:৪৮



কোকৰাঝাৰ, ৬ নৱেম্বৰঃ ভূমি পট্টা আবণ্টন আৰু নামজাৰিৰ ক্ষেত্ৰত প্ৰিমিয়ামৰ হাৰ হ্ৰাস কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে বড়োলেণ্ড টেৰিটৰিয়েল কাউন্সিলে (BTC)। শুকুৰবাৰে কোকৰাঝাৰত মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীৰ অধ্যক্ষতাত অনুষ্ঠিত কাৰ্যবাহী পৰিষদৰ বৈঠকত এই সিদ্ধান্ত লোৱা হয়।

বৈঠকৰ পাছত হাগ্ৰামা মহিলাৰীয়ে জানিবলৈ দিয়ে যে যিসকল লোকৰ নিজৰ নামত মাটিৰ পট্টা নাই, তেওঁলোকক পট্টা প্ৰদানৰ কাম চলি আছে। ভূমিহীন লোকসকলৰ বাবে পূৰ্বে ১,০০০ বা ২৫,০০০ টকা প্ৰিমিয়াম নিৰ্ধাৰণক লৈ সৃষ্টি হোৱা সমস্যাৰ সংশোধন কৰা হৈছে। এতিয়াৰে পৰা ভূমিহীন লোকসকলে মাটিৰ পট্টা লাভৰ বাবে মাত্ৰ ১০১ টকা প্ৰিমিয়াম দিব লাগিব।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/959

অসম

"হোটেল বিলাস ইন হত্যাকাণ্ডৰ সৈতে ঘনকান্ত জড়িত নাছিল" - পত্নী জোনমণিৰ বিস্ফোৰক অভিযোগ

NewzNow ডেস্ক | ৬ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:১৯



নাহৰকটীয়া, ৬ নৱেম্বৰঃ গুৱাহাটীৰ হোটেল বিলাস ইনত সংঘটিত পাঁচজন লোকৰ হত্যাকাণ্ডৰ মূল অভিযুক্ত ঘনকান্ত গগৈৰ মৃত্যুক লৈ নতুন অভিযোগ উত্থাপন কৰিছে তেওঁৰ পত্নী জোনমণি গগৈয়ে। তেওঁৰ দাবী, হোটেল বিলাস ইন হত্যাকাণ্ডৰ সৈতে ঘনকান্ত কোনোপ্ৰকাৰে জড়িত নাছিল। কোনো বৃহৎ চক্ৰই তেওঁক এই ঘটনাত ব্যৱহাৰ কৰিছিল আৰু পিছত পৰিকল্পিতভাৱে হত্যা কৰি সমগ্ৰ ঘটনা গাপ দিয়াৰ চেষ্টা কৰা হৈছে।

সাংবাদিকৰ আগত দিয়া সাক্ষাৎকাৰত জোনমণিয়ে অভিযোগ কৰে যে ঘনকান্তক আলোচনাৰ বাবে মাতি নি চক্ৰান্তৰে এই ঘটনাত জড়িত কৰোৱা হৈছিল।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/903

অসম

জুবিনৰ মৃত্যুৰ গোচৰ: ১৬০ সাক্ষীয়ে অমৃতপ্ৰভাৰ বিৰুদ্ধে একো কোৱা নাই বুলি দাবী মুখ্যমন্ত্ৰীৰ

NewzNow ডেস্ক | ৬ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৩৮



গুৱাহাটীঃ জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত ফাষ্ট ট্ৰেক আদালতত চলি থকা সাক্ষ্য গ্ৰহণ প্ৰক্ৰিয়াক লৈ বিস্ফোৰক মন্তব্য কৰিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/879

অসম

"দম আছে যদি উচ্চতম ন্যায়ালয়ত গৈ বিৰোধ কৰক" - প্ৰতিবাদকাৰীক মুখ্যমন্ত্ৰীৰ প্ৰত্যাহ্বান

NewzNow ডেস্ক | ৬ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৪৬



গুৱাহাটী, ৬ নৱেম্বৰঃ জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায়ৰ দাবীত মুখ্যমন্ত্ৰীৰ বাসভৱনৰ সন্মুখত প্ৰতিবাদ সাব্যস্ত কৰাক লৈ আপত্তি প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/912

অসম

উচ্চতম ন্যায়ালয়ত আজি কিয় জামিন নাপালে শ্যামকানু আৰু সিদ্ধাৰ্থই ? ক'লে মহাধিবক্তা দেৱজিৎ লন শইকীয়াই

শ্বাহ আলম | ৬ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:০২



গুৱাহাটী, ৬ নৱেম্বৰঃ জুবিন গার্গৰ মৃত্যুৰ গোচৰত অভিযুক্ত শ্যামকানু মহন্ত আৰু সিদ্ধার্থ সন্দীপনৰ জামিন আবেদনৰ শুনানি আজি উচ্চতম ন্যায়ালয়ত অনুষ্ঠিত হয়। অৱশ্যে দুয়োৰে জামিন আবেদনৰ শুনানি ৩০ নৱেম্বৰলৈ স্থগিত ৰখা হয়। একেদিনাই অমৃতপ্রভা মহন্ত আৰু সন্দীপন গার্গৰ জামিনৰ বিৰুদ্ধে অসম চৰকাৰে দাখিল কৰা বিশেষ অনুমতি আবেদনকেইখনৰো শুনানি গ্রহণ কৰা হ'ব।

মহাধিবক্তা দেৱজিৎ লন শইকীয়াই সংবাদ মাধ্যমৰ আগত এই কথা প্রকাশ কৰে। তেওঁৰ মতে, এই গোচৰত ইতিমধ্যে ৩-৪ বাৰ শুনানি হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/924

অসম

অইল ইণ্ডিয়াৰ টেংক ফার্মত বিস্ফোৰণ-অগ্নিকাণ্ড, এজনৰ মৃত্যু, আহত ৬

NewzNow ডেস্ক | ৬ নৱেম্বৰ ২০২৬, আবেলি ৫:৩৩



ডিব্রুগড়, ৬ নৱেম্বৰঃ ডিব্রুগড় জিলাৰ টেঙাখাততে অইল ইণ্ডিয়া লিমিটেডৰ Intermediate Tank Farm (ITF)-ত শুকুৰবাৰে পুৱা সংঘটিত ভয়ংকৰ বিস্ফোৰণ আৰু অগ্নিকাণ্ডত এজন কর্মচাৰীৰ মৃত্যু হোৱাৰ লগতে আন ছয়জন লোক আহত হয়। পুৱা প্রায় ৯.

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/951

অসম

২৯ নৱেম্বৰৰ ভূপেন হাজৰিকা শতবর্ষৰ সামৰণি অনুষ্ঠান; অংশ ল'বলৈ মুকলি পঞ্জীয়ন পৰ্টেল

NewzNow ডেস্ক | ৬ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৫৪



গুৱাহাটী, ৬ নৱেম্বৰঃ সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবর্ষ উদ্‌যাপনৰ সামৰণি অনুষ্ঠানত অংশ ল'ব বিচৰা লোকসকলৰ বাবে অনলাইন পঞ্জীয়ন পৰ্টেল মুকলি কৰিছে অসম চৰকাৰে। ৬ নৱেম্বৰত মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মাই এই পৰ্টেল মুকলি কৰে।

অহা ২৯ নৱেম্বৰত নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত হ'ব এই সামৰণি অনুষ্ঠান। পঞ্জীয়নৰ সুবিধা ২৮ নৱেম্বৰলৈকে খোলা থাকিব। ১২ নৱেম্বৰৰ পৰা পঞ্জীয়নকাৰীসকলে নিজৰ প্রৱেশ-পত্র ডাউনলোড কৰিব পাৰিব। অৱশ্যে প্রৱেশ-পত্র লাভৰ পূর্বে আবেদনকাৰীৰ বাধ্যতামূলক পৰিচয় আৰু পটভূমি পৰীক্ষা কৰা হ'ব।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/887

উত্তৰ-পূর্বাঞ্চল

ত্রিপুৰাত BSF জোৱানক আক্রমণৰ ঘটনা; ১৯ অভিযুক্তৰ ১৮ জনক গ্রেপ্তাৰ

NewzNow ডেস্ক | ৬ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:০৮



আগৰতলা, ৬ নৱেম্বৰঃ ত্রিপুৰাৰ সিপাহীজলা জিলাৰ আশাবাৰীত কর্তব্যৰত সীমান্ত সুৰক্ষা বাহিনীৰ (বি এছ এফ) জোৱানৰ ওপৰত হোৱা আক্রমণৰ ঘটনাত ১৮ জন লোকক গ্রেপ্তাৰ কৰিছে আৰক্ষীয়ে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/895

অসম

১২ নৱেম্বৰত গুৱাহাটীত ২৪ ঘণ্টীয়া পেট্ৰ'ল পাম্প বন্ধৰ ঘোষণা; ২৩ নৱেম্বৰৰ পৰা অনিৰ্দিষ্টকালীন বন্ধৰো সকীয়নি

NewzNow ডেস্ক | ৬ নৱেম্বৰ ২০২৬, আবেলি ৫:৪১



গুৱাহাটী, ৬ নৱেম্বৰঃ তেল বিপণন কোম্পানীসমূহৰ বিৰুদ্ধে একাধিক অভিযোগ উত্থাপন কৰি ১২ নৱেম্বৰত গুৱাহাটী মহানগৰীত ২৪ ঘণ্টীয়া পেট্ৰ'ল পাম্প বন্ধৰ কার্যসূচী ঘোষণা কৰিছে North East India Petroleum Dealers Association-ৰ বৃহত্তৰ গুৱাহাটী গোটে।

সংস্থাটোৰ বিজ্ঞপ্তি অনুসৰি, ১২ নৱেম্বৰৰ পুৱা ৬ বজাৰ পৰা ১৩ নৱেম্বৰৰ পুৱা ৬ বজালৈ মহানগৰীৰ সকলো পেট্ৰ'ল পাম্প বন্ধ ৰখা হ'ব।

তেল বিপণন কোম্পানীসমূহে ডিলাৰসকলৰ সৈতে একপক্ষীয় আৰু স্বেচ্ছাচাৰী আচৰণ কৰাৰ অভিযোগ উত্থাপন কৰিছে সংস্থাটোৱে। বিজ্ঞপ্তিত অভিযোগ কৰা হৈছে যে কোনো আগতীয়া জাননী বা শুনানিৰ সুযোগ নিদিয়াকৈ ডিলাৰসকলক পেট্ৰ'ল আৰু ডিজেলৰ যোগান বন্ধ কৰাৰ ভাবুকি দিয়া হৈছে।

ইয়াৰ উপৰি, টেংকাৰৰ জৰিয়তে ইন্ধন পৰিবহণৰ বাবে চলি থকা Consortium ব্যৱস্থা কোনো যুক্তিসংগত কাৰণ নোহোৱাকৈ বাতিল কৰাৰ অভিযোগ উত্থাপন কৰিছে সংগঠনটোৱে। ইয়াৰ ফলত ডিলাৰ আৰু পৰিবহণকাৰীসকল লোকচানৰ সন্মুখীন হোৱা বুলি দাবী কৰিছে সংস্থাই। Indian Oil-ৰ এগৰাকী বিষয়াই এজন ডিলাৰক ইন্ধন যোগান বন্ধ কৰাৰ ভাবুকি দিয়াৰ অভিযোগো উত্থাপন কৰা হৈছে।

ডিলাৰসকলক অতিৰিক্ত Lubricant ক্ৰয় কৰিবলৈ হেঁচা প্ৰয়োগ কৰাৰ অভিযোগো কৰিছে সংগঠনটোৱে। পেট্ৰ'ল-ডিজেলৰ যোগান অব্যাহত ৰখাৰ চর্ত হিচাপে অতিৰিক্ত সামগ্ৰী ক্ৰয় কৰিবলৈ বাধ্য কৰোৱা হৈছে বুলি সংস্থাটোৱে দাবী কৰিছে।

আনহাতে, ডিলাৰৰ SAP একাউণ্টৰ পৰা আগতীয়া জাননী বা যথাযথ প্ৰক্ৰিয়া অবিহনে ধন কর্তন, অনুমোদিত ৰাজসাহায...

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/955

দেশ

হায়দৰাবাদত পাঁচ অসমীয়াৰ গাঞ্জা সৰবৰাহৰ চক্ৰ উৎখাত, ভাস্কৰ হাজৰিকা মূল মাষ্টাৰ মাইণ্ড

NewzNow ডেস্ক | ৬ নৱেম্বৰ ২০২৬, আবেলি ৬:৪৩



১০ মাহত প্ৰায় ৪০০ কিলোগ্ৰাম গাঞ্জা সৰবৰাহ কৰি ১.৮ কোটি টকাৰ বিক্ৰী কৰিছিল বুলি হায়দৰাবাদ আৰক্ষীৰ EAGLE বাহিনীয়ে অভিযোগ কৰিছে। এই গোচৰত অসমৰ পাঁচজন লোকক আটক কৰি ২৪.৭ কিলোগ্ৰাম গাঞ্জা আৰু সাতটা ম'বাইল ফোন জব্দ কৰা হৈছে।

হায়দৰাবাদ: আটক হোৱা লোককেইজনৰ ভিতৰত ভাস্কৰ হাজৰিকা নামৰ ৩১ বছৰীয়া লোকজনক এই সৰবৰাহ চক্ৰটোৰ মূল হোতা বুলি আৰক্ষীয়ে দাবী কৰিছে। আগতে নিৰাপত্তাৰক্ষী আৰু ডেলিভাৰী কর্মী হিচাপে কাম কৰা ভাস্কৰে ওড়িশাৰ পৰা গাঞ্জা আনি হায়দৰাবাদৰ চাইবাৰাবাদ অঞ্চলত বিক্ৰী চলাইছিল বুলি তদন্তত পোহৰলৈ আহিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/969

অসম

নতুন বড়োলেণ্ড আন্দোলনক সমর্থন নকৰে BPFয়ে: হাগ্ৰামা

NewzNow ডেস্ক | ৬ নৱেম্বৰ ২০২৬, আবেলি ৫:২৬



কোকৰাঝাৰ, ৬ নৱেম্বৰঃ নতুনকৈ পৃথক বড়োলেণ্ডৰ দাবীত আন্দোলন আৰম্ভ কৰাৰ প্ৰস্তাৱক বর্তমান সময়ত সম্পূৰ্ণ সমর্থন আগবঢ়াব নোৱাৰে বুলি স্পষ্ট কৰিছে বড়োলেণ্ড পিপলছ ফ্ৰণ্টৰ সভাপতি তথা বিটিচিৰ মুখ্য কার্যবাহী সদস্য হাগ্ৰামা মহিলাৰীয়ে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/947

দেশ

পাৰিবাৰিক বিবাদৰ ভয়ংকৰ পৰিণতি! পত্নীসহ পৰিয়ালৰ ৭ সদস্যক হত্যা কেবচালকৰ

NewzNow ডেস্ক | ৬ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:২৪



বেংগালুৰু, ৬ নৱেম্বৰঃ কর্ণাটকৰ ৰাজধানী বেংগালুৰুত সংঘটিত হৈছে এক ভয়ংকৰ হত্যাকাণ্ড। পাৰিবাৰিক বিবাদক কেন্দ্ৰ কৰি এগৰাকী ৪৫ বছৰীয়া কেবচালকে নিজৰ পত্নীসহ পৰিয়ালৰ সাতজন সদস্যক হত্যা কৰাৰ অভিযোগ উত্থাপন হৈছে।

অভিযুক্ত কেবচালকজনক শেকৰ ওৰফে ইণ্ডুশেকৰ বুলি চিনাক্ত কৰা হৈছে। নিয়মীয়া বার্তাৰ প্ৰতিবেদন অনুসৰি, ৰাজাজী নগৰৰ ভাষ্যম চার্কোলৰ সমীপত থকা নিজৰ বাসগৃহত দুদিন ধৰি এই হত্যাকাণ্ড সংঘটিত কৰিছিল শেকৰে। হত্যাৰ পিছত কেইবাটাও মৃতদেহ চিকাবল্লাপুৰ জিলাৰ বিভিন্ন স্থানত পেলাই দিয়াৰ অভিযোগ উঠিছে।

বাকী অংশ ৰেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/907

ৰাজনীতি

'জৱাহৰলাল নেহৰুৰ ভুলৰ বাবে নোৱাখালী, চট্টগ্ৰাম আৰু ছিলেট বাংলাদেশলৈ গ'ল, ঘূৰাই আনিব লাগে': নিশিকান্ত ডুবে

NewzNow ডেস্ক | ৬ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:১৪



নতুন দিল্লী, ৬ নৱেম্বৰঃ পাকিস্তানৰ দখলত থকা কাশ্মীৰৰ লগতে বাংলাদেশৰ নোৱাখালী, চট্টগ্ৰাম বন্দৰ আৰু ছিলেট অঞ্চল ভাৰতলৈ ঘূৰাই অনাৰ দাবী উত্থাপন কৰিছে বিজেপিৰ সাংসদ নিশিকান্ত ডুবেই। শুকুৰবাৰে তেওঁ অভিযোগ কৰে যে দেশৰ প্ৰথম প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে এই অঞ্চলসমূহ বলপূৰ্বকভাৱে হস্তান্তৰ কৰিছিল।

ডুবেই দাবী কৰে যে এই তিনিটা অঞ্চল ঐতিহাসিকভাৱে ত্ৰিপুৰা ৰাজ্যৰ অংশ আছিল। তেওঁৰ মতে, এতিয়া পাকিস্তানৰ দখলত থকা কাশ্মীৰ উদ্ধাৰৰ লগতে নোৱাখালী, চট্টগ্ৰাম আৰু ছিলেট ঘূৰাই অনাৰ সময় আহি পৰিছে।

বাকী অংশ ৰেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/925

অসম

১২ নৱেম্বৰত ২৪ ঘণ্টাৰ বাবে বন্ধ থাকিব পেট্ৰ'ল পাম্প! OMCৰ বিৰুদ্ধে প্ৰতিবাদ ঘোষণা পেট্ৰ'ল ডিলাৰ সন্থাৰ

NewzNow ডেস্ক | ৬ নৱেম্বৰ ২০২৬, আবেলি ৪:২০



গুৱাহাটী, ৬ নৱেম্বৰ, ২০২৬:

১২ নৱেম্বৰত ২৪ ঘণ্টাৰ বাবে বন্ধ থাকিব পেট্ৰ'ল পাম্প! OMCৰ বিৰুদ্ধে প্ৰতিবাদ ঘোষণা পেট্ৰ'ল ডিলাৰ সন্থাৰ ।

বাকী অংশ ৰেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/945

ৰাজনীতি

বিজেপিৰ ধৰ্ম হিন্দুত্ব, সনাতন ধৰ্ম নহয়: দিগ্বিজয় সিং

NewzNow ডেস্ক | ৬ নৱেম্বৰ ২০২৬, আবেলি ৪:১০



কংগ্ৰেছৰ জ্যেষ্ঠ নেতা দিগ্বিজয় সিঙে ভাৰতীয় জনতা পার্টি (বিজেপি)ক পুনৰ সমালোচনা কৰি দলটোৰ আদর্শক লৈ প্ৰশ্ন উত্থাপন কৰিছে। তেওঁৰ দাবী, বিজেপিৰ ধৰ্ম সনাতন নহয়, হিন্দুত্ব। লগতে তেওঁ অভিযোগ কৰে যে হিন্দুত্বই ঘৃণা বিয়পায়, হিন্দু ধৰ্মক প্ৰতিনিধিত্ব নকৰে।

বাকী অংশ ৰেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/941

দেশ

মুখ্য ন্যায়াধীশ সূর্য কান্তৰ বিৰুদ্ধে সামাজিক মাধ্যমত কৰা পোষ্টক লৈ কেৰালা কংগ্রেছৰ বিষয়ৱবীয়াসকললৈ আদালত অৱমাননাৰ জাননী

NewzNow ডেস্ক | ৬ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৪৮



নতুন দিল্লী, ৬ নৱেম্বৰঃ ভাৰতীয় সংবিধান সর্বোচ্চ আৰু কোনো ব্যক্তি, প্রতিষ্ঠান বা ৰাজনৈতিক সংগঠন ইয়াৰ ঊর্ধ্বত নহয় বুলি স্পষ্ট কৰি কেৰালা কংগ্রেছৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্রহণ কৰিছে উচ্চতম ন্যায়ালয়ে। ভাৰতৰ মুখ্য ন্যায়াধীশ সূর্য কান্তক লক্ষ্য কৰি কেৰালা প্রদেশ কংগ্রেছ কমিটীয়ে কৰা এটা সামাজিক মাধ্যমৰ পোষ্টক লৈ দলটোৰ ৰাজ্যিক শাখাৰ বিষয়ৱবীয়াসকললৈ আদালত অৱমাননাৰ জাননী জাৰি কৰিছে সর্বোচ্চ আদালতে। শুকুৰবাৰে ন্যায়াধীশ অৰবিন্দ কুমাৰ আৰু ন্যায়াধীশ বিপুল এম পাঞ্চোলীৰ বিচাৰপীঠে এই গোচৰৰ শুনানি গ্রহণ কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/916

ৰাজনীতি

চৰকাৰী আঁচনিৰ সুবিধা লাভৰ ক্ষেত্রত আধাৰৰ সলনি ভোটাৰ পৰিচয়-পত্র ব্যৱহাৰৰ প্রস্তাৱ বিজেপিৰ বৃহত্তৰ ষড়যন্ত্র: ৰাহুল গান্ধী

NewzNow ডেস্ক | ৬ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:১৮



নতুন দিল্লী, ৬ নৱেম্বৰঃ চৰকাৰী কল্যাণমূলক আঁচনিৰ হিতাধিকাৰী চিনাক্তকৰণৰ ক্ষেত্রত আধাৰৰ পৰিৱর্তে ভোটাৰ পৰিচয়-পত্র ব্যৱহাৰৰ প্রস্তাৱক লৈ কেন্দ্রীয় চৰকাৰক তীব্র সমালোচনা কৰিছে কংগ্রেছ নেতা তথা লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে। এই পদক্ষেপক তেওঁ বিজেপিৰ বৃহত্তৰ ষড়যন্ত্রৰ অংশ বুলি অভিযোগ কৰিছে।

শুকুৰবাৰে সামাজিক মাধ্যমৰ এটা পোষ্টত ৰাহুল গান্ধীয়ে দাবী কৰে যে বিশেষ সংশোধন (SIR)ৰ নামত ভোটাৰ তালিকাৰ পৰা লাখ লাখ লোকৰ নাম কর্তন কৰা হৈছে। তেওঁৰ অভিযোগ, বিজেপিৰ বিৰুদ্ধে থকা লোকসকলক লক্ষ্য কৰি ভোটাৰ তালিকাৰ পৰা নাম আঁতৰোৱাৰ প্রক্রিয়া চলিছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/929

ব্যৱসায়-বাণিজ্য

৯০৪ কোটি টকাৰ বেংক জালিয়াতিৰ অভিযোগত কিশোৰ বিয়ানীৰ বিৰুদ্ধে চিবিআইৰ গোচৰ

NewzNow ডেস্ক | ৬ নৱেম্বৰ ২০২৬, আবেলি ৬:২৯



৯০৪.৩২ কোটি টকাৰ কথিত বেংক জালিয়াতিৰ গোচৰত Future Retail Limited-ৰ সৈতে জড়িত ব্যৱসায়ী কিশোৰ বিয়ানী, তেওঁৰ ভাতৃ ৰাকেশ বিয়ানী আৰু আন কেইবাজনো লোকৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিছে কেন্দ্রীয় অনুসন্ধানকাৰী সংস্থা চিবিআয়ে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/965

জীৱনশৈলী

দিল্লীত ভূপেন হাজৰিকাৰ গীত গাব অসমৰ ১,০০০ শিল্পীয়ে

NewzNow ডেস্ক | ৬ নৱেম্বৰ ২০২৬, নিশা ৭:৩৮



ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ জন্ম শতবর্ষ উদযাপনৰ সামৰণি অনুষ্ঠানত অসমৰ ১,০০০ শিল্পীয়ে নতুন দিল্লীত তেওঁৰ কালজয়ী গীত পৰিৱেশন কৰিব।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/982

স্বাস্থ্য

অসমত স্নাতকোত্তৰ চিকিৎসা শিক্ষাৰ ৪৩খন নতুন আসন, মুঠ সংখ্যা ৮৩৯লৈ বৃদ্ধি

NewzNow ডেস্ক | ৬ নৱেম্বৰ ২০২৬, নিশা ৭:৩১



গুৱাহাটী, ৬ নৱেম্বৰ: অসমত স্নাতকোত্তৰ চিকিৎসা শিক্ষাৰ বাবে আৰু ৪৩খন আসনৰ অনুমোদন লাভ কৰিছে। ইয়াৰ ফলত ৰাজ্যখনত স্নাতকোত্তৰ চিকিৎসা শিক্ষাৰ মুঠ আসনৰ সংখ্যা ৮৩৯খনলৈ বৃদ্ধি পালে।

মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মাই ৬ নৱেম্বৰত এই কথা ঘোষণা কৰে। ৰাষ্ট্রীয় চিকিৎসা আয়োগে লখিমপুৰ চিকিৎসা মহাবিদ্যালয় আৰু ডিফু চিকিৎসা মহাবিদ্যালয়ত নতুন আসনকেইখনৰ অনুমোদন দিছে। আটাইকেইখন আসন চিকিৎসা সেৱাৰ সৈতে জড়িত বিশেষ বিভাগৰ।

নতুনকৈ অনুমোদিত আসনকেইখন সাতটা বিভাগত অন্তর্ভুক্ত কৰা হৈছে। সেইকেইটা হৈছে - সাধাৰণ চিকিৎসা, এনাস্থেছিঅ'লজি, শিশুৰোগ, পেথ'লজি, ৰেডিঅ'-ডায...

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/978

অসম

ৰার্ড বিলুপ্তিৰ প্রস্তাৱক লৈ উত্তাল প্রতিবাদ! পাৱাৰ হাউচ চকত সহস্রাধিক লোকৰ প্রতিবাদ

NewzNow ডেস্ক | ৬ নৱেম্বৰ ২০২৬, আবেলি ৪:৪৫



ৰঙিয়া, ৬ নৱেম্বৰ, ২০২৬:

১০ নং ৰার্ড বিলুপ্ত কৰাৰ প্রস্তাৱক কেন্দ্র কৰি উত্তাল ৰঙিয়া । ৰঙিয়া সমজিলাৰ অন্তর্গত চিৰাখুন্দী ৰাজহ গাঁওখন ৰঙিয়া ৰাজহ চক্রৰ পৰা গোৱেশ্বৰ ৰাজহ চক্রত অন্তর্ভুক্ত কৰাৰ লগতে ৰঙিয়া পৌৰসভাৰ সংশোধিত পৰিসৰৰ পৰা ১০ নং ৰার্ডটো বাদ দিয়াৰ প্রস্তাৱক লৈ সৰৱ হৈ পৰিছে স্থানীয় ৰাইজ। প্রস্তাৱিত সিদ্ধান্তৰ প্রতিবাদত সহস্রাধিক লোকে ৰাজপথলৈ ওলাই আহি পাৱাৰ হাউচ চকত প্রতিবাদ সাব্যস্ত কৰে।


প্রস্তাৱিত সিদ্ধান্ত অনুসৰি, চিৰাখুন্দী ৰাজহ গাঁওখন ৰঙিয়া ৰাজহ চক্রৰ পৰিৱর্তে গোৱেশ্বৰ ৰাজহ চক্রৰ অধীনলৈ নিয়াৰ কথা বিবেচনা কৰা হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/946

দেশ

SIR-ত ভোটাৰ তালিকাৰ পৰা বাদ পৰাসকলক পুনৰ সুযোগ, নির্বাচন আয়োগৰ নতুন নির্দেশনা

NewzNow ডেস্ক | ৬ নৱেম্বৰ ২০২৬, নিশা ৭:০৭



বিশেষ সংশোধন (SIR) প্রক্রিয়াৰ সময়ত খচৰা ভোটাৰ তালিকাৰ পৰা বাদ পৰা ভোটাৰসকলক পুনৰ নাম অন্তর্ভুক্তিৰ সুযোগ প্রদান কৰিছে ভাৰতৰ নির্বাচন আয়োগে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/973

দেশ

পঞ্জাৱত কর্মভূমি এক্সপ্রেছৰ ৪টা ডবাত জুই

NewzNow ডেস্ক | ৬ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:২২



পাটিয়ালা, ৬ নৱেম্বৰঃ পঞ্জাবৰ পাটিয়ালাত শুকুৰবাৰে দুপৰীয়া কর্মভূমি এক্সপ্রেছত অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/933

অসম

ৰঙানদীৰ ঐতিহাসিক শনিবৰীয়া বজাৰত প্ৰশাসনৰ বুলড'জাৰ! ৩ বিঘা ভূমিৰ ৩২খন দোকান উচ্ছেদ

NewzNow ডেস্ক | ৬ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৩৮



লখিমপুৰ, ৪ নৱেম্বৰ, ২০২৬:

লখিমপুৰ জিলাৰ ৰঙানদী বিধানসভা সমষ্টিৰ অন্তৰ্গত ১ নং ধৰ্মপুৰৰ ঐতিহাসিক শনিবৰীয়া বজাৰত অৱশেষত চলিল প্ৰথমটো চৰকাৰী উচ্ছেদ অভিযান। দীৰ্ঘদিন ধৰি চৰকাৰী ভূমি বেদখল কৰি দোকান-পোহাৰ আৰু পকী গৃহ নিৰ্মাণ কৰাৰ অভিযোগত বুধবাৰে পুৱাই অভিযান চলায় জিলা প্ৰশাসনে। প্ৰশাসনৰ এই অভিযানত প্ৰায় ৩ বিঘা ভূমিত থকা ৩২খন দোকানত বুলড'জাৰ চলোৱা হয়।


৪ নৱেম্বৰ, বুধবাৰে পুৱাই ১ নং ধৰ্মপুৰৰ শনিবৰীয়া বজাৰত উপস্থিত হয় প্ৰশাসনৰ দল।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/878

দেশ

অমিতাভ বচ্চনৰ বাংলো, বোম্বে উচ্চ ন্যায়ালয় আৰু দিলজিৎ দোছাঞ্জৰ অনুষ্ঠানস্থলী বোমাৰে উৰুৱাই দিয়াৰ ভাবুকি

NewzNow ডেস্ক | ৬ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৫২



মুম্বাই, ৬ নৱেম্বৰঃ বলীউডৰ অভিনেতা অমিতাভ বচ্চনৰ বাসগৃহ, বোম্বে উচ্চ ন্যায়ালয় আৰু মুম্বাইৰ মহালক্ষ্মী ৱেচক'ৰ্চত বোমা বিস্ফোৰণ ঘটোৱাৰ ভাবুকি প্ৰদান কৰি প্ৰেৰণ কৰা এটা ই-মেইলক লৈ শুকুৰবাৰে চাঞ্চল্যৰ সৃষ্টি হয়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/920

দেশ

'ধীৰেন্দ্ৰ শাস্ত্ৰী মূৰ্খ মানুহ, এনে মূৰ্খ ব্যক্তিক ধৰ্মগুৰু কোৱাটো ধৰ্মৰ অপমান'

NewzNow ডেস্ক | ৬ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:২১



নতুন দিল্লী, ৪ নৱেম্বৰ, ২০২৬:

বাগেশ্বৰ ধামৰ পীঠাধীশ ধীৰেন্দ্ৰ কৃষ্ণ শাস্ত্ৰীক তীব্ৰ ভাষাৰে সমালোচনা কৰিছে আম আদমী পাৰ্টিৰ ৰাজ্যসভাৰ সাংসদ সঞ্জয় সিঙে। ভগৱান শ্ৰীৰাম, শ্ৰীকৃষ্ণ আৰু মহাকুম্ভৰ সময়ত হোৱা মৃত্যুৰ ঘটনাক লৈ ধীৰেন্দ্ৰ শাস্ত্ৰীয়ে কৰা বিভিন্ন মন্তব্যৰ প্ৰসংগ উত্থাপন কৰি তেওঁ কয়, 'ধীৰেন্দ্ৰ শাস্ত্ৰী মূৰ্খ মানুহ। এনে মূৰ্খ ব্যক্তিক ধৰ্মগুৰু বুলি কোৱাটোৱেই ধৰ্মৰ অপমান।'

সঞ্জয় সিঙৰ অভিযোগ, ধীৰেন্দ্ৰ শাস্ত্ৰীয়ে বাৰে বাৰে সনাতন ধৰ্ম, হিন্দু ধৰ্ম আৰু দেৱ-দেৱতাসকলক লৈ আপত্তিজনক মন্তব্য কৰি আহিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/877

ব্যৱসায়-বাণিজ্য

ধনতেৰাছত সোণ-ৰূপৰ মূল্য হ্ৰাস

NewzNow ডেস্ক | ৬ নৱেম্বৰ ২০২৬, আবেলি ৪:০৩



ধনতেৰাছৰ দিনটোতে সোণ আৰু ৰূপৰ বজাৰত বৃহৎ মূল্যহ্ৰাস ঘটিছে। শুকুৰবাৰে (৬ নৱেম্বৰ) ৯৯৯ বিশুদ্ধতাৰ সোণৰ মূল্য প্ৰতি ১০ গ্ৰামত ৩,১০৬ টকা হ্ৰাস পাই ১,৪১,০২৩ টকাত মুকলি হয়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/937

ক্ৰীড়া

আৰ্যবীৰ ছেহৱাগৰ দুৰ্দান্ত বেটিং, নেপালক ১০ উইকেটত হৰুৱালে ভাৰতে

NewzNow ডেস্ক | ৬ নৱেম্বৰ ২০২৬, আবেলি ৬:২৪



আল আমিৰাট: অনূর্ধ্ব-১৯ এছিয়া কাপত বিজয়ৰে অভিযান আৰম্ভ কৰিলে ভাৰতীয় দলে। শুকুৰবাৰে আল আমিৰাত ক্ৰিকেট গ্ৰাউণ্ডত অনুষ্ঠিত প্ৰথমখন মেচত ভাৰতে নেপালক ১০ উইকেটত পৰাস্ত কৰে।

প্ৰথমে বেটিং কৰি নেপালৰ দলটোৱে ৪২.৩ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১২৮ ৰান সংগ্ৰহ কৰে। নেপালৰ হৈ দৰ্শ সোনাৰে সৰ্বাধিক ৪৩ ৰান কৰে। ভাৰতৰ ঈশান ছুদ আৰু অৰ্জুন ৰাজপুতে তিনিটাকৈ উইকেট দখল কৰে।

জয়ৰ লক্ষ্য অনুসৰণ কৰি ভাৰতে মাত্ৰ ১৯.১ অভাৰতে কোনো উইকেট নেহেৰুৱাকৈ ১২৯ ৰান সংগ্ৰহ কৰে। বীৰেন্দ্ৰ ছেহৱাগৰ পুত্ৰ আৰ্যবীৰ ছেহৱাগে ৫২টা বলত সাতটা চাৰি আৰু চাৰিটা ছয়েৰে অপৰাজিত ৭০ ৰান কৰে। অধিনায়ক লক্ষ্য ৰাজচন্দানীয়ে ৬৩টা বলত অপৰাজিত ৫৩ ৰান সংগ্ৰহ কৰে। মেচখনত ১০ অভাৰত ১৮ ৰান দি তিনিটা উইকেট দখল কৰা ঈশান ছুদক শ্ৰেষ্ঠ খেলুৰৈৰ সন্মান প্ৰদান কৰা হয়। ভাৰতৰ পৰৱৰ্তী মেচ ৮ নৱেম্বৰত পাকিস্তানৰ বিৰুদ্ধে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/961

এই সংখ্যাত

১ 'জুবিনৰো ভুল আছিল'- জুবিনৰ মৃত্যুৰ গোচৰত সাক্ষীৰ মন্তব্যক লৈ মুখ্যমন্ত্ৰীৰ বিস্ফোৰক দাবী

১ 'ঘনকান্ত গগৈৰ এনকাউণ্টাৰ দুৰ্ভাগ্যজনক' - মুখ্যমন্ত্ৰী

১ প্ৰনৱ দলেৰ বিৰুদ্ধে ৰুজু হোৱা NSA গোচৰ খাৰিজ কৰিলে উচ্চ ন্যায়ালয়ে

১ উচ্চতম ন্যায়ালয়ত আজিও জামিন নাপালে শ্যামকানু আৰু সিদ্ধাৰ্থ: ৩০নৱেম্বৰত জামিনৰ পৰৱৰ্তী শুনানি

১ 'আপুনি ভুল চাৰ্জশ্বিট দিছে আপুনি চাৰ্জশ্বিটৰ কাগজৰ টোপোলা এসোপা দিছে'; মুখ্যমন্ত্ৰীৰ মন্তব্যৰ প্ৰতিক্ৰিয়া অখিলৰ

২ BTC-ত ভূমিহীন লোকৰ বাবে মাটিৰ পট্টাৰ প্ৰিমিয়াম ১০১ টকালৈ হ্ৰাস: হাগ্ৰামা

২ জুবিনৰ মৃত্যুৰ গোচৰ: ১৬০ সাক্ষীয়ে অমৃতপ্ৰভাৰ বিৰুদ্ধে একো কোৱা নাই বুলি দাবী মুখ্যমন্ত্ৰীৰ

২ "হোটেল বিলাস ইন হত্যাকাণ্ডৰ সৈতে ঘনকান্ত জড়িত নাছিল" - পত্নী জোনমণিৰ বিস্ফোৰক অভিযোগ

২ "দম আছে যদি উচ্চতম ন্যায়ালয়ত গৈ বিৰোধ কৰক" - প্ৰতিবাদকাৰীক মুখ্যমন্ত্ৰীৰ প্ৰত্যাহ্বান

৩ উচ্চতম ন্যায়ালয়ত আজি কিয় জামিন নাপালে শ্যামকানু আৰু সিদ্ধাৰ্থই ? ক'লে মহাধিবক্তা দেৱজিৎ লন শইকীয়াই

৩ অইল ইণ্ডিয়াৰ টেংক ফাৰ্মত বিস্ফোৰণ-অগ্নিকাণ্ড, এজনৰ মৃত্যু, আহত ৬

৩ ২৯ নৱেম্বৰৰ ভূপেন হাজৰিকা শতবৰ্ষৰ সামৰণি অনুষ্ঠান; অংশ ল'বলৈ মুকলি পঞ্জীয়ন পৰ্টেল

৩ ত্ৰিপুৰাত BSF জোৱানক আক্ৰমণৰ ঘটনা; ১৯ অভিযুক্তৰ ১৮ জনক গ্ৰেপ্তাৰ

৪ ১২ নৱেম্বৰত গুৱাহাটীত ২৪ ঘণ্টীয়া পেট্ৰ'ল পাম্প বন্ধৰ ঘোষণা; ২৩ নৱেম্বৰৰ পৰা অনিৰ্দিষ্টকালীন বন্ধলৈ সকীয়নি

৪ হায়দৰাবাদত পাঁচ অসমীয়াৰ গাঞ্জা সৰবৰাহৰ চক্ৰ উৎখাত, ভাস্কৰ হাজৰিকা মূল মাষ্টাৰ মাইণ্ড

৪ নতুন বড়োলেণ্ড আন্দোলনক সমৰ্থন নকৰে BPFয়ে: হাগ্ৰামা

৫ পাৰিবাৰিক বিবাদৰ ভয়ংকৰ পৰিণতি! পত্নীসহ পৰিয়ালৰ ৭ সদস্যক হত্যা কেবচালকৰ

৫ ১২ নৱেম্বৰত ২৪ ঘণ্টাৰ বাবে বন্ধ থাকিব পেট্ৰ'ল পাম্প! OMCৰ বিৰুদ্ধে প্ৰতিবাদ ঘোষণা পেট্ৰ'ল ডিলাৰ সন্থাৰ

৫ 'জৱাহৰলাল নেহৰুৰ ভুলৰ বাবে নোৱাখালী, চট্টগ্ৰাম আৰু ছিলেট বাংলাদেশলৈ গ'ল, ঘূৰাই আনিব লাগে': নিশিকান্ত ডুবে

৫ বিজেপিৰ ধৰ্ম হিন্দুত্ব, সনাতন ধৰ্ম নহয়: দিগ্বিজয় সিং

৬ মুখ্য ন্যায়াধীশ সূর্য কান্তৰ বিৰুদ্ধে সামাজিক মাধ্যমত কৰা পোষ্টক লৈ কেৰালা কংগ্ৰেছৰ বিষয়ববীয়াসকললৈ আদালত অৱমাননাৰ জাননী

আৰু ১২টা খবৰ ভিতৰৰ পাততে

NewzNow ই-কাকত: প্ৰতিদিনে সন্ধিয়া newznow.in/epaper-ত। প্ৰতিটো খবৰৰ সম্পূৰ্ণ বিৱৰণ, ভিডিঅ' আৰু আপডেট newznow.in-ত পঢ়ক।
খবৰ শুনক: newznow.in/listen